Acc.No 77

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মির্জাত 'প্ৰজ্ঞা-পুষ্প' শীৰ্ষক গ্ৰন্থ উন্মোচন



আমাৰ বিশেষ খবৰ, দক্ষিণ কামৰূপ, ২৭ জানুৱাৰী ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত কালি 'প্ৰজ্ঞা-পুষ্প' শীৰ্ষক এখন মননশীল আৰু গৱেষণাধৰ্মী গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে সম্পাদনা কৰা গ্ৰন্থখন যৌথভাৱে উন্মোচন কৰে ক্ৰমে দক্ষিণ কামৰূপ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তপন চৌধুৰী আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই। ভাৰত যুক্তৰাষ্ট্ৰৰ ৭৪সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ লগত সংগতি ৰাখি মহাবিদ্যালয় পৰিচালৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনত ১৪টা প্ৰবন্ধ অসমীয়াত আৰু ১৩টা ইংৰাজী ভাষাত লিখা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। উন্মোচনী সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিষয়ৰ মুৰব্বী অধ্যাপক দিলীপ মেধী উপস্থিত আছিল। গ্ৰন্থখন উন্মোচন কৰি উন্মোচক চৌধুৰীয়ে এনে ধৰণৰ গৱেষণাধৰ্মী গ্ৰন্থ প্ৰকাশে মহাবিদ্যালয়ৰ ছাত্ৰীসকলক অনুপ্ৰাণিত কৰাৰ লগতে নতুন প্ৰজন্মক সাহিত্যচৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মাই আঁত ধৰা সভাখনত সমাজসেৱিকা কৃষ্ণা মজুমদাৰো উপস্থিত আছিল।


ASOMIYA KHABAR - 28, January - 2023. P-3

অসমীয়া খবৰ - ২৮ জানুৱাৰী, ২০২৩ . পৃঃ-৩

Acc.No 78

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মিৰ্জাত 'প্ৰজ্ঞা-পুষ্প' শীৰ্ষক গ্ৰন্থ উন্মোচন




নিয়মীয়া বাৰ্তা, ৰামপুৰ, ২৯ জানুৱাৰী ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অলপতে 'প্ৰজ্ঞা-পুষ্প' শীৰ্ষক এখন মননশীল আৰু গৱেষণাধৰ্মী গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে সম্পাদনা কৰা গ্ৰন্থখন যৌথভাৱে উন্মোচন কৰে ক্ৰমে দক্ষিণ কামৰূপ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তপন চৌধুৰী আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই। ভাৰত যুক্তৰাষ্ট্ৰৰ ৭৪সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ লগত সংগতি ৰাখি মহাবিদ্যালয় পৰিয়ালৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনত ১৪টা প্ৰবন্ধ অসমীয়া আৰু ১৩টা ইংৰাজী ভাষাত লিখা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। উন্মোচনী সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিষয়ৰ মুৰব্বী অধ্যাপক দিলীপ মেধিদেৱো উপস্থিত আছিল। গ্ৰন্থখন উন্মোচন কৰি উন্মোচক চৌধুৰীদেৱে এনেকুৱা ধৰণৰ গৱেষণাধৰ্মী গ্ৰন্থ প্ৰকাশে মহাবিদ্যালয়ৰ ছাত্ৰীসকলক অনুপ্ৰাণিত কৰাৰ লগতে নতুন প্ৰজন্মক সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে আৰু বছৰত এনেকুৱা একোখন গ্ৰন্থ উলিয়াবলৈ মহাবিদ্যালয় পৰিয়ালক আহ্বান জনায়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মাই আঁত ধৰা সভাখনত সমাজসেৱিকা কৃষ্ণা মজুমদাৰো উপস্থিত আছিল।

NIYOMIYA BARTA - 30, January - 2023. P-9

নিয়মীয়া বাৰ্তা - ৩০ জানুৱাৰী, ২০২৩. পৃ-৯

Acc.No 79

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত প্ৰজ্ঞা-পুষ্প গ্ৰন্থ উন্মোচন




প্ৰতিদিন সেৱা, মিৰ্জা, ২৯ জানুৱাৰী ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাত ২৬ জানুৱাৰীত প্ৰজ্ঞা-পুষ্প নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয়খনৰ দ্বাৰা প্ৰকাশিত আৰু অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ দ্বাৰা সম্পাদিত এই গ্ৰন্থ উন্মোচন উপলক্ষে অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত সভাত দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ পৰিচালনা সমিতিৰ সভাপতি তপন চৌধুৰীয়ে গ্ৰন্থখন উন্মোচন কৰে। এই গ্ৰন্থখন উন্মোচন কৰি তেওঁ আন আন মহাবিদ্যালয়তো এনেধৰণৰ কাম হ'ব লাগে বুলি কয়। মহাবিদ্যালয়খনৰ এগৰাকী শুভাকাংক্ষী কৃষ্ণা মজুমদাৰে ভাষণ প্ৰদান কৰাৰ লগতে মহাবিদ্যালয়খনলৈ বহুসংখ্যক গ্ৰন্থ আগবঢ়ায়। এই সভাত দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ প্ৰাক্তন অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা প্ৰতিনিধি দিলীপ মেধিকে ধৰি কেইবাজনো বিশিষ্ট লোক উপস্থিত থাকে। মহাবিদ্যালয়খনৰ প্ৰাচীৰপত্ৰিকা শ্ৰীপঞ্চমী উন্মোচন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই।

ASOMIYA PRATIDIN - 30, January - 2023. P-6

অসমীয়া প্ৰতিদিন - ৩০ জানুৱাৰী - ২০২৩ . পৃঃ- ৬

Acc.No: 80

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

# মিৰ্জাত মমবাতি প্ৰস্তুত কৰ্মশালা

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৭ ফেব্ৰুৱাৰী ঃ ৰ'টাৰী ক্লাব গুৱাহাটী দক্ষিণ আৰু মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এন এছ এছ ইউনিটৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰাংগণত শুকুৰবাৰে এখন এদিনীয়া মমবাটি প্ৰস্তুত কৰ্মশালাৰ আয়োজন কৰা হয়। যুৱতীসকলক স্বনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে উক্ত কৰ্মশালাখনৰ আয়োজন কৰা হয়। ড° মিতালী কথকীয়া আৰু অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ ব্যৱস্থাপনা আৰু ৰ'টাৰী ক্লাবৰ সহযোগত কৰ্মশালাখন পৰিচালনা কৰা হয়। বিশিষ্ট অতিথি হিচাপে প্ৰিয়ম গোস্বামী, স্বেতা পেগু, মঞ্জুশ্ৰী বৰুৱা আৰু প্ৰশান্ত মাধৱ গোস্বামী উপস্থিত থাকে।

AMAR ASOM - 8, February - 2023. P-3

আমাৰ অসম - ৮ ফেব্ৰুৱাৰী - ২০২৩ . পৃ:-৩

Acc.No 81

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza



■ দক্ষিণ কামৰূপ ছোৱালী কলেজৰ মহাবিদ্যালয় সপ্তাহত অভিনেত্ৰী আইমী বৰুৱা, বৃহস্পতিবাৰে। ফটো ঃ প্ৰতিদিন সেৱা, মিৰ্জা

ASOMIYA PRATIDIN – 10, Feboruary-2023. P-15

অসমীয়া প্ৰতিদিন- ১০, ফেব্ৰুৱাৰী- ২০২৩. পৃ- ১৫

Acc.No 82


Dakshin Kamrup Girls' College Library
Estd-1988
• Mirza •

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ

# অভিনেত্ৰী হোৱাৰ পূৰ্বে জীৱনৰ লক্ষ্য আছিল আই এ এছ বিষয়া হোৱাৰ ঃ আইমী বৰুৱা

নিজা বাতৰি দিওঁতা

**বৰিহাট, ৯ ফেব্ৰুৱাৰী ঃ** ভুলৰপৰাই শিক্ষা লৈ সকলোৱে জীৱনৰ দিশত আগবাঢ়ি যাওক। জীৱনটো যুঁজি থাকিবই লাগিব। জীৱনত প্ৰথমে নিজৰ সৈতে প্ৰতিযোগিতাত নমাটো গুৰুত্বপূৰ্ণ।—এই মন্তব্য অভিনেত্ৰী আইমী বৰুৱাৰ। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৮ ফেব্ৰুৱাৰীৰপৰা চলি থকা মহাবিদ্যালয় সপ্তাহত আজি উপস্থিত হৈ আইমী বৰুৱাই ছাত্ৰীসকলৰ উদ্দেশ্যি কয়— অভিনেত্ৰী হোৱাৰ আগতে তেওঁৰ জীৱনৰ লক্ষ্য আছিল এগৰাকী আই এ এছ বিষয়া হোৱা। এফাকি বিহু নাচি অভিনেত্ৰীগৰাকীয়ে সমবেত লোকক আমোদ দিয়ে। আনহাতে, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নবকান্ত অধিকাৰীয়ে আইমী বৰুৱা এগৰাকী সহজ-সৰল অভিনেত্ৰী বুলি কয়।



DAINIK ASAM – 10, February - 2023 . P – 9

দৈনিক অসম – ১০, ফেব্ৰুৱাৰী – ২০২৩ . পৃ:– ৯

Acc.No 83

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# ছোৱালী মহাবিদ্যালয়ত খোৱাপানী যোগান

**আমাৰ অসম'ৰ দক্ষিণ কামৰূপৰ প্ৰতিনিধি, ১৬ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ ছোৱালীৰ একমাত্ৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্থাৰ ধনেৰে ছাত্ৰীসকলক বিশুদ্ধ খোৱাপানীৰ যোগানৰ উদ্দেশ্যে এটা একুৱাগাৰৰ ব্যৱস্থা কৰা হয়। ছাত্ৰীসকলে গৰমৰ দিনত যাতে বিশুদ্ধ ঠাণ্ডা পানী খাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই পানী যোগান ব্যৱস্থা মঙলবাৰে অভিভাৱক সন্থাৰ সভাপতি ৰমেশ চন্দ্ৰ মহন্তই উদ্বোধন কৰে। তেওঁ ভাষণত কয় যে বিশুদ্ধ খোৱাপানীয়ে শৰীৰ নিৰোগী কৰি ৰাখে। এই ব্যৱস্থাই ছাত্ৰীসকলৰ উপকাৰ সাধন কৰিব। সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী, সমন্বয়ক ড° জগন্নাথ বৰ্মনকে ধৰি মহাবিদ্যালয় শিক্ষক আৰু ছাত্ৰীবৃন্দ। অনুষ্ঠানৰ আঁত ধৰে গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মা আৰু সম্পাদক অতুল চন্দ্ৰ দাসে।

AMAR ASOM – 17, March-2023. P-7

আমাৰ অসম – ১৭ মাৰ্চ – ২০২৩. পৃঃ-৭

Acc.No 84

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত প্ৰাক্তন ছাত্ৰী সমাৰোহ

**প্ৰতিদিন সেৱা, মিৰ্জা, ৩০ এপ্ৰিল ঃ** দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাৰ ২০ সংখ্যক প্ৰাক্তন ছাত্ৰী সমাৰোহখন আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰী শিখা ঠাকুৰীয়াই আঁত ধৰা সমাৰোহ উপলক্ষে পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে, গছপুলি ৰোপণ কৰে



প্ৰাক্তন ছাত্ৰী কবিতা তালুকদাৰ আৰু গীতাঞ্জলি কলিতাই, প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বোন্দাপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী তন্ময়া ঠাকুৰীয়াই। সমাৰোহখন উদ্বোধন কৰে অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। ইয়াৰ পিচত ছাত্ৰী একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদিকাসকলৰ পৰিচয় প্ৰদান, প্ৰাক্তন ছাত্ৰী সংস্থাৰ প্ৰয়োজনীয়তা আৰু কৰণীয় শীৰ্ষক বক্তৃতানুষ্ঠানত ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যাপক ড° জগন্নাথ বৰ্মনে। তেওঁ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি, শৈক্ষিক দিশ, নাকৰ পৰিদৰ্শনৰ বিষয়েও উল্লেখ কৰে। সভাখনত প্ৰাক্তন ছাত্ৰীৰ ফটো এলবাম উন্মোচন কৰে প্ৰাক্তন ছাত্ৰী সংস্থাৰ সভানেত্ৰী ৰুমাৰাণী শইকীয়া আৰু উপ-সভানেত্ৰী উত্তৰা দাসে। দুপৰীয়া সতীৰ্থ সন্মিলন আৰু সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে গাঁও পঞ্চায়তৰ সভানেত্ৰী স্বপ্না দাস আৰু ববিতা ভূঞাই।

ASOMIYA PRATIDIN - 1, May - 2023 . P - 11

অসমীয়া প্ৰতিদিন - ১ মে - ২০২৩ . পৃঃ - ১১

Acc.No 85

Dakshin Kamrup Girls' College · Estd. 1988 · Mirza

# মির্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত আয়োজিত হ'ল যুৱ উৎসৱ



অগ্ৰদূত বাৰ্তা পলাশবাৰী, ২৩ মে' : কামৰূপৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসন, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ডিভিট ফাউণ্ডেছনৰ সহযোগত জিলা ভিত্তিত যুৱ উৎসৱ ২০২৩-২৪ৰ কাৰ্যক্ৰমণিকা মিৰ্জাৰ ডি কে গাৰ্লছ কলেজত আয়োজন কৰা হয়। কালি আয়োজিত এই অনুষ্ঠানত কামৰূপ জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা যুৱক-যুৱতীসকলে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু তেওঁলোকৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। যুৱ উৎসৱ কাৰ্যক্ৰমণিকা আছিল এনে এক মঞ্চ য'ত যুৱক-যুৱতীসকলে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰাৰ লগতে তেওঁলোকৰ ধাৰণা প্ৰকাশ কৰাৰ সুবিধা লাভ কৰে। অনুষ্ঠানত বিভিন্ন কাৰ্যসূচী যেনে লোকসংস্কৃতিৰ দলীয় নৃত্য প্ৰতিযোগিতা অনুষ্ঠান, ম'বাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, চিত্ৰকলা প্ৰতিযোগিতা, বক্তৃতা, কবিতা, ৰচনা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যাৰ লক্ষ্য আছিল যুৱক-যুৱতীসকলৰ মাজত থকা গুৰুত্বপূৰ্ণ প্ৰতিভাসমূহৰ সন্ধান কৰাৰ লগতে বিকাশ সাধন কৰা। ইয়াৰ লগতে সামাজিক উন্নয়নমূলক বিষয়সমূহৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা। এইবাৰ অনুষ্ঠানৰ থিম আছিল 'প্ৰধানমন্ত্ৰী মোদীৰ অমৃত কালৰ পঞ্চ প্ৰাণ।' কামৰূপ জিলাৰ পৰা প্ৰায় ৪০০ গৰাকী অংশগ্ৰহণকাৰীয়ে সকলো শাখাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি যুৱক-যুৱতীসকলক নিজৰ প্ৰতিভাসমূহৰ বিকাশৰ লগতে দেশৰ উন্নয়নমূলক কামত নিয়োজিত হ'বলৈ আহ্বান জনায়। তেওঁ লগতে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ এনে ধৰণৰ কাৰ্যসূচীৰ প্ৰশংসা কৰে। তেওঁ বিজয়ীসকলক প্ৰমাণপত্ৰসমূহ বিতৰণ কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে কামৰূপ জিলা উন্নয়ন আয়ুক্ত নবসিং বে, নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ জিলা যুৱ বিষয়া হিমাংশু কুমাৰ, সমাজকৰ্মী ধনঞ্জয় তালুকদাৰ, ডি কে গাৰ্লছ কলেজৰ অধ্যক্ষ নৱকান্ত অধিকাৰী আৰু ডিভিট ফাউণ্ডেছনৰ সভাপতি ৰবি আৰ শ্ৰীবাস্তৱ উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ গাণনিক আৰু কাৰ্যক্ৰম নিৰীক্ষণ বিষয়া গোপীনাথ দাসে।

DAINIK AGRADOOT — 24 May-2023. P-9

দৈনিক অগ্ৰদূত - ২৪ মে- ২০২৩. পৃ:- ৯

Acc.No 85

Dakshin Kamrup Girls' College
Estd. 1998
Mirza

# মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত আয়োজিত হ'ল যুৱ উৎসৱ




অগ্ৰদূত বাৰ্তা পলাশবাৰী, ২৩ মে': কামৰূপৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসন, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ডিভিট ফাউণ্ডেশনৰ সহযোগত জিলা ভিত্তিত যুৱ উৎসৱ ২০২৩-২৪ৰ কাৰ্যক্ৰমণিকা মিৰ্জাৰ ডি কে গাৰ্লছ কলেজত আয়োজন কৰা হয়। কালি আয়োজিত এই অনুষ্ঠানত কামৰূপ জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা যুৱক-যুৱতীসকলে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু তেওঁলোকৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। যুৱ উৎসৱ কাৰ্যক্ৰমণিকা আছিল এনে এক মঞ্চ য'ত যুৱক-যুৱতীসকলে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰাৰ লগতে তেওঁলোকৰ ধাৰণা প্ৰকাশ কৰাৰ সুবিধা লাভ কৰে। অনুষ্ঠানত বিভিন্ন কাৰ্যসূচী যেনে লোকসংস্কৃতিৰ দলীয় নৃত্য প্ৰতিযোগিতা অনুষ্ঠান, ম'বাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, চিত্ৰকলা প্ৰতিযোগিতা, বক্তৃতা, কবিতা, ৰচনা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যাৰ লক্ষ্য আছিল যুৱক-যুৱতীসকলৰ মাজত থকা গুৰুত্বপূৰ্ণ প্ৰতিভাসমূহৰ সন্ধান কৰাৰ লগতে বিকাশ সাধন কৰা। ইয়াৰ লগতে সামাজিক উন্নয়নমূলক বিষয়সমূহৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা। এইবাৰ অনুষ্ঠানৰ থিম আছিল 'প্ৰধানমন্ত্ৰী মোদীৰ অমৃত কালৰ পঞ্চ প্ৰাণ।' কামৰূপ জিলাৰ পৰা প্ৰায় ৪০০ গৰাকী অংশগ্ৰহণকাৰীয়ে সকলো শাখাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি যুৱক-যুৱতীসকলক নিজৰ প্ৰতিভাসমূহৰ বিকাশৰ লগতে দেশৰ উন্নয়নমূলক কামত নিয়োজিত হ'বলৈ আহ্বান জনায়। তেওঁ লগতে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ এনে ধৰণৰ কাৰ্যসূচীৰ প্ৰশংসা কৰে। তেওঁ বিজয়ীসকলক প্ৰমাণপত্ৰসমূহ বিতৰণ কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে কামৰূপ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে, নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ জিলা যুৱ বিষয়া হিমাংশু কুমাৰ, সমাজকৰ্মী ধনঞ্জয় তালুকদাৰ, ডি কে গাৰ্লছ কলেজৰ অধ্যক্ষ নবকান্ত অধিকাৰী আৰু ডিভিট ফাউণ্ডেশনৰ সভাপতি ৰবি আৰ শ্ৰীবাস্তৱ উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ গাণনিক আৰু কাৰ্যক্ৰম নিৰীক্ষণ বিষয়া গোপীনাথ দাসে।

DAINIK AGRADOOT — 24 May - 2023 . P - 9
দৈনিক অগ্ৰদূত - ২৪ মে - ২০২৩ . পৃ: - ৯

Acc No 86

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় যুৱ উৎসৱ

'আমাৰ অসম'ৰ পলাশবাৰীৰ প্ৰতিবেদক, ২৪ মে' ঃ কামৰূপৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসন, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ডিভিট ফাউণ্ডেশনৰ সহযোগত জিলা ভিত্তিত যুৱ উৎসৱ ২০২৩-২০২৪ৰ কাৰ্যক্ৰমনিকা মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত সোমবাৰে অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাৰ ভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অহা যুৱক-যুৱতীসকলে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু তেওঁলোকৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। যুৱ উৎসৱ এনে এখন মঞ্চ য'ত যুৱক-যুৱতীসকলে নিজৰ প্ৰতিভা বিকাশ কৰাৰ লগতে নিজৰ ধাৰণা প্ৰকাশ কৰাৰ সুবিধা লাভ কৰে। অনুষ্ঠানত বিভিন্ন কাৰ্যসূচী যেনে লোক-সংস্কৃতিৰ দলীয় নৃত্য প্ৰতিযোগিতা, মোবাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, চিত্ৰকলা প্ৰতিযোগিতা, বক্তৃতা, কবিতা, ৰচনা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এইবেলি অনুষ্ঠানৰ থিম আছিল 'মাননীয় প্ৰধানমন্ত্ৰী মোদীৰ অমৃত কালৰ পঞ্চ প্ৰাণ'। কামৰূপ জিলাৰ পৰা প্ৰায় ৪০০জনে সকলো শাখাৰ অনুষ্ঠানতে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ সাংসদ কুইন ওজাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি যুৱক-যুৱতীসকলক নিজৰ প্ৰতিভা বিকাশৰ লগতে দেশৰ উন্নয়নত নিয়োজিত হ'বলৈ আহ্বান জনায়। তেওঁ বিজয়ী প্ৰতিযোগীসকলক প্ৰমাণ-পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে কামৰূপ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে', নেহৰু যুৱ কেন্দ্ৰ কামৰূপৰ জিলা যুৱ বিষয়া হিমাংশু কুমাৰ, সমাজকৰ্মী ধনঞ্জয় তালুকদাৰ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ নবকান্ত অধিকাৰী, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰ আৰু ডিভিট ফাউণ্ডেশনৰ সভাপতি ৰবি আৰ শ্ৰীবাস্তৱ উপস্থিত থাকে। অনুষ্ঠানৰ অঁত ধৰে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ গাণনিক আৰু কাৰ্যক্ৰম নিৰীক্ষণ বিষয়া গোপীনাথ দাসে।

AMAR ASOM – 25th may – 2023 . P-7

আমাৰ অসম – ২৫ মে – ২০২৩ . পৃঃ-৭

Acc No 86

Dakshin Kamrup Girls' College Library
Estd 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় যুৱ উৎসৱ

**'আমাৰ অসম'ৰ পলাশবাৰীৰ প্ৰতিবেদক, ২৪ মে' ঃ** কামৰূপৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসন, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ভিভিট ফাউণ্ডেশ্যনৰ সহযোগত জিলা ভিত্তিত যুৱ উৎসৱ ২০২৩-২০২৪ৰ কাৰ্যক্ৰমনিকা মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত সোমবাৰে অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাৰ ভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অহা যুৱক-যুৱতীসকলে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে আৰু তেওঁলোকৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। যুৱ উৎসৱ এনে এখন মঞ্চ য'ত যুৱক-যুৱতীসকলে নিজৰ প্ৰতিভা বিকাশ কৰাৰ লগতে নিজৰ ধাৰণা প্ৰকাশ কৰাৰ সুবিধা লাভ কৰে। অনুষ্ঠানত বিভিন্ন কাৰ্যসূচী যেনে লোক-সংস্কৃতিৰ দলীয় নৃত্য প্ৰতিযোগিতা, মোবাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, চিত্ৰকলা প্ৰতিযোগিতা, বক্তৃতা, কবিতা, ৰচনা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এইবেলি অনুষ্ঠানৰ থিম আছিল 'মাননীয় প্ৰধানমন্ত্ৰী মোদীৰ অমৃত কালৰ পঞ্চ প্ৰাণ'। কামৰূপ জিলাৰ পৰা প্ৰায় ৪০০জনে সকলো শাখাৰ অনুষ্ঠানতে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ সাংসদ কুইন ওজাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি যুৱক-যুৱতীসকলক নিজৰ প্ৰতিভা বিকাশৰ লগতে দেশৰ উন্নয়নত নিয়োজিত হ'বলৈ আহ্বান জনায়। তেওঁ বিজয়ী প্ৰতিযোগীসকলক প্ৰমাণ-পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে কামৰূপ জিলা উন্নয়ন আয়ুক্ত নৱসিং বে', নেহৰু যুৱ কেন্দ্ৰ কামৰূপৰ জিলা যুৱ বিষয়া হিমাংশু কুমাৰ, সমাজকৰ্মী ধনঞ্জয় তালুকদাৰ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ নৱকান্ত অধিকাৰী, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰ আৰু ভিভিট ফাউণ্ডেশ্যনৰ সভাপতি ৰবি আৰ শ্ৰীবাস্তৱ উপস্থিত থাকে। অনুষ্ঠানৰ অন্ত পৰে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ গাণনিক আৰু কাৰ্যক্ৰম নিৰীক্ষণ বিষয়া গোপীনাথ দাসে।

AMAR ASOM - 25th may - 2023 . P-7
আমাৰ অসম - ২৫ মে - ২০২৩ . পৃ:-৭

Acc. No 87

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

### মিৰ্জাত ৰাজহুৱা সম্বৰ্ধনা গ্ৰহণ কৰি জয়ন্ত বৰুৱা

# ভাষা-সাহিত্য চহকী হ'লেহে জাতিয়ে মূৰ দাঙি থাকিব পাৰিব




### দৃষ্টিহীনসকলক অসমীয়া ভাষা শুদ্ধভাৱে শিকোৱাটো আমাৰ কৰ্তব্য

**প্ৰতিদিন সেৱা, মিৰ্জা, ১০ জুলাই :** হেমকোষৰ ব্ৰেইল সংস্কৰণৰ জৰিয়তে বিশ্ব অভিলেখ গঢ়া সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী তথা 'অসমীয়া প্ৰতিদিন'ৰ সম্পাদক জয়ন্ত বৰুৱাক আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত এখন গাম্ভীৰ্যপূৰ্ণ সভাত দক্ষিণ কামৰূপৰ

■ ১০ পৃষ্ঠাত

# ভাষা-সাহিত্য চহকী হ'লেহে জাতিয়ে মূৰ দাঙি থাকিব পাৰিব

বিভিন্ন অনুষ্ঠান, ব্যক্তিয়ে উষ্ম সম্বৰ্ধনা জনায়। পলাশবাৰী আৰক্ষী থানাৰ নাগৰিক সমিতিৰ উদ্যোগত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে নাগৰিক সমিতিৰ সভাপতি কুশলজ্যোতি মালাকৰে। সভাখনত হেমকোষৰ ব্ৰেইল সংস্কৰণেৰে অসমীয়া ভাষাক জগতসভালৈ নিয়া অসমীয়া প্ৰতিদিনৰ সম্পাদক জয়ন্ত বৰুৱাক দক্ষিণ কামৰূপৰ ডেৰকুৰিৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে সম্বৰ্ধনা জনায়। আজি পুৱা মহাবিদ্যালয়খনৰ প্ৰাংগণত জয়ন্ত বৰুৱা উপস্থিত হোৱাৰ লগে লগে তেওঁক সভাস্থলীলৈ আদৰি নিয়ে সমবেত লোকসকলে। ইয়াৰ পিচতে মহাবিদ্যালয় চৌহদত এটি গছপুলি ৰোপণ কৰাৰ লগতে হেমকোষপ্ৰাণ হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিতো মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। মহাবিদ্যালয়খনৰ ছাত্ৰীসকলে পৰিবেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা সম্বৰ্ধনা সভাখনত আদৰণী ভাষণ দিয়ে কুশলজ্যোতি মালাকৰে। সভাখনত জয়ন্ত বৰুৱাই মহাপুৰুষ মাধৱদেৱৰ পদধূলিৰে আশীৰ্বাদপুষ্ট পলাশবাৰীৰ ৰাইজক কৃতজ্ঞতা জনাই কয় যে ভাষা হৈছে এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। ভাষাৰ বিলোপ হ'লে জাতিৰো বিলোপ ঘটে। বিশ্বৰ বুকুত ইয়াৰ বহু উদাহৰণ আছে বুলি কৈ বৰুৱাই কয় যে মুখ্যতঃ অভিধান আৰু ব্যাকৰণে এটা ভাষা জীয়াই ৰাখে। ১৮৩৬ চনত ব্ৰিটিছ চৰকাৰে অসমত বাংলা ভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ বিষয়ে উল্লেখ কৰি বৰুৱাই কয় যে সেই সময়ত বাঙালী বুদ্ধিজীৱীসকলে অসমীয়া ভাষাটো বাংলা ভাষাৰে এটা উপ-ভাষা বুলি ব্ৰিটিছসকলক পতিয়ন নিয়াইছিল। তেওঁলোকে বুজাই দিছিল যে অসমীয়া ভাষাৰ কোনো স্বকীয়তা নাই। কিন্তু ইয়াৰ পৰৱৰ্তী সময়ত আমাৰ পূৰ্বপুৰুষ গুণাভিৰাম বৰুৱা, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকনে অসমত এক বৌদ্ধিক আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছিল আৰু এই আন্দোলনৰ ফলতেই অসমত পুনৰ অসমীয়া ভাষা প্ৰতিষ্ঠা হৈছিল। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই অসমীয়া ব্যাকৰণ আৰু অভিধানেৰে অসমীয়া ভাষাটোক এটা নতুন জীৱন দান দি গ'ল বুলি উল্লেখ কৰি বৰুৱাই তেওঁৰ ভাষণত লগতে কয় যে হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ চাৰি বছৰ পিচত অৰ্থাৎ ১৯০০ চনত হেমকোষ ছপা আকাৰত প্ৰকাশ পাইছিল। হেমকোষৰ ইয়াৰ পিচৰ দুটা সংস্কৰণ সম্পাদনা কৰিছিল আনন্দৰাম বৰুৱাই। হেমকোষৰ চতুৰ্থ সংস্কৰণৰ পৰা চতুৰ্দশ সংস্কৰণলৈ সম্পাদনা কৰিছিল দেৱানন্দ বৰুৱাই। হেমচন্দ্ৰ বৰুৱাৰ চতুৰ্থ প্ৰজন্ম হিচাপে হেমকোষৰ পঞ্চদশ সংস্কৰণৰ কাম হাতত লোৱা বুলি উল্লেখ কৰি জয়ন্ত বৰুৱাই ইয়াৰ বাবে ভাষাবিদ ড° বসন্ত গোস্বামী, ড° মালিনী গোস্বামী আৰু ড° উপেন ৰাভা হাকাচামৰ নেতৃত্বত এখন সমিতি গঠন কৰা বুলিও কয়। এই সমিতিখনৰ নেতৃত্বতে অতি সোনকালে নতুন শব্দ সংযোজনেৰে হেমকোষৰ পঞ্চদশ সংস্কৰণ ৰাইজৰ হাতত তুলি দিয়া হ'ব বুলিও বৰুৱাই ভাষণত উল্লেখ কৰে। বিভিন্ন প্ৰত্যাহ্বান নেওচি হেমকোষৰ ব্ৰেইল সংস্কৰণৰ কাম সম্পূৰ্ণ কৰাৰ কথা উল্লেখ কৰি বৰুৱাই লগতে কয় যে ব্ৰেইল হেমকোষে দৃষ্টিহীন লোকসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলকো উপকৃত কৰিব। সমাজৰ দৃষ্টিহীন লোকসকলক অসমীয়া ভাষাটো শুদ্ধভাৱে শিকাই আগবঢ়াই নিয়াটো আমাৰ ডাঙৰ কৰ্তব্য বুলি উল্লেখ কৰি বৰুৱাই কয় যে এজন ব্যক্তি বা এটা অনুষ্ঠানে যেতিয়া কোনো এটা কাম কৰি সফলতা অৰ্জন কৰে, তেতিয়া তেওঁ তৃপ্তি লাভ কৰে। হেমকোষৰ ব্ৰেইল সংস্কৰণৰ কাম কৰি যিমান তৃপ্তি লাভ কৰিছো, সেয়া মোৰ জীৱনৰ আটাইতকৈ ওপৰত বুলিও বৰুৱাই ভাষণত উল্লেখ কৰে। সাহিত্য আৰু ভাষা চহকী হ'লেহে জাতিয়ে মূৰ দাঙি থাকিব বুলি উল্লেখ কৰি বৰুৱাই লগতে নিজৰ ভাষাটোক জীয়াই ৰখাটো প্ৰতিজন অসমীয়াৰে দায়িত্ব আৰু এই কাম নিজৰ ঘৰৰ পৰাই আৰম্ভ কৰা উচিত বুলিও মন্তব্য কৰে। নিজৰ ভাষণৰ মাজতে বৰুৱাই অসমীয়া প্ৰতিদিনৰ প্ৰতিষ্ঠাপক মুখ্য উপ-সম্পাদক মনজিৎ মহন্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মহন্তৰ বিদেহ আত্মাৰ সদ্‌গতিৰ বাবেও ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সভাখনত ভাষণ দি পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই অসমীয়া জাতি, ভাষাৰ বাবে জয়ন্ত বৰুৱাই কৰি অহা কাম-কাজৰ শলাগ লয়। ভৱিষ্যতে বৰুৱাই অধিক দক্ষতাৰে জাতিৰ স্বাৰ্থত কাম কৰি যাব বুলিও বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে। কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰাণজিৎ দাসেও সভাখনত ভাষণ দি সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাৰ শলাগ লয়। একেদৰে সভাখনত ভাষণ দি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে হেমকোষৰ ব্ৰেইল সংস্কৰণক এক অমূল্য সম্পদ বুলি অভিহিত কৰে। সভাখনত পলাশবাৰী থানাৰ নাগৰিক সমিতিৰ উপদেষ্টা নাৰায়ণ চৌধুৰী, সমাজকৰ্মী হিমাংশু শেখৰ বৈশ্য, সমিতিৰ বিষয়ববীয়া ৰাজেন্দ্ৰ কুমাৰ নাথ, পলাশবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ কুমাৰ নাথকে ধৰি অঞ্চলটোৰ ভালেসংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ সম্পাদক কন্দৰ্প কুমাৰ দাসে। উল্লেখ্য যে আজিৰ সভাত ক্ৰমে পলাশবাৰী আৰক্ষী থানাৰ নাগৰিক সমিতি, মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, পলাশবাৰী সংস্কৃতি বিকাশ ভৱন, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, দক্ষিণ কামৰূপ ক্ৰীড়া সন্থা, ভাৰতীয় জনতা যুৱ মৰ্চাৰ দক্ষিণ কামৰূপ সমিতি, দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সংস্থা, দহালি দখলা আঞ্চলিক নাগৰিক সমিতি, আমবাংগা বড়িহাট আঞ্চলিক নাগৰিক সমিতি, মালিয়াটা, হাৰোপাৰা, বড়ৰা, সাতপখলী, বাড়ন্তি মনিয়েৰী বড়ামাটি আঞ্চলিক নাগৰিক সমিতি, পলাশবাৰী শতদল সাহিত্য সভা, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়, বৃহত্তৰ বিজয়নগৰ ব্যৱসায়ী সন্থা, বড়ামাটি ৰাইজ গয়বহ, দক্ষিণ কামৰূপ অগ্ৰণী মহিলা মঞ্চ, দক্ষিণ কামৰূপ কবি সমাজ, মিৰ্জা সুৰেৰী উৎসৱ সমিতি, নহিৰা নাগৰিক সমিতি, নৱাৰুণ সাহিত্য সভা, মিৰ্জা স্ৰোতস্বিনী মহিলা সংঘ, বিজয়নগৰ দখলা মুগা এৰী শিল্প কেন্দ্ৰ, মিৰ্জা বড়ালী বিহু সম্মিলনকে ধৰি বিভিন্ন অনুষ্ঠান, ব্যক্তিবিশেষে জয়ন্ত বৰুৱাক সম্বৰ্ধনা জনায়।

ASOMIYA PRATIDIN
11 Th July, 2023. P.-1
অসমীয়া প্ৰতিদিন, ১১ জুলাই-২০২৩
পৃ:-১

Acc.No 87

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

মিৰ্জাত ৰাজহুৱা সম্বৰ্ধনা গ্ৰহণ কৰি জয়ন্ত বৰুৱা

# ভাষা-সাহিত্য চহকী হ'লেহে জাতিয়ে মূৰ দাঙি থাকিব পাৰিব




## দৃষ্টিহীনসকলক অসমীয়া ভাষা শুদ্ধভাবে শিকোৱাটো আমাৰ কৰ্তব্য

**প্ৰতিদিন সেৱা, মিৰ্জা, ১০ জুলাই :** হেমকোষৰ ব্ৰেইল সংস্কৰণৰ জৰিয়তে বিশ্ব অভিলেখ গঢ়া সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী তথা 'অসমীয়া প্ৰতিদিন'ৰ সম্পাদক জয়ন্ত বৰুৱাক আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত এখন গাম্ভীৰ্যপূৰ্ণ সভাত দক্ষিণ কামৰূপৰ ■ ১০ পৃষ্ঠাত

## ভাষা-সাহিত্য চহকী হ'লেহে জাতিয়ে মূৰ দাঙি থাকিব পাৰিব

বিভিন্ন অনুষ্ঠান, ব্যক্তিয়ে উষ্ণ সম্বৰ্ধনা জনায়। পলাশবাৰী আৰক্ষী থানাৰ নাগৰিক সমিতিৰ উদ্যোগত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে নাগৰিক সমিতিৰ সভাপতি কুশলজ্যোতি মালাকাৰে। সভাখনত হেমকোষৰ ব্ৰেইল সংস্কৰণেৰে অসমীয়া ভাষাক জগতসভালৈ নিয়া অসমীয়া প্ৰতিদিনৰ সম্পাদক জয়ন্ত বৰুৱাক দক্ষিণ কামৰূপৰ ডেৰকুৰিৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে সম্বৰ্ধনা জনায়। আজি পুৱা মহাবিদ্যালয়খনৰ প্ৰাংগণত জয়ন্ত বৰুৱা উপস্থিত হোৱাৰ লগে লগে তেওঁক সভাস্থলীলৈ আদৰি নিয়ে সমবেত লোকসকলে। ইয়াৰ পিচতে মহাবিদ্যালয় চৌহদত এটি গছপুলি ৰোপণ কৰাৰ লগতে হেমকোষপ্ৰাণ হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবকান্ত অধিকাৰীয়ে। মহাবিদ্যালয়খনৰ ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা সম্বৰ্ধনা সভাখনত আদৰণী ভাষণ দিয়ে কুশলজ্যোতি মালাকাৰে। সভাখনত জয়ন্ত বৰুৱাই মহাপুৰুষ মাধৱদেৱৰ পদধূলিৰে আশীৰ্বাদপুষ্ট পলাশবাৰীৰ ৰাইজক কৃতজ্ঞতা জনাই কয় যে ভাষা হৈছে এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। ভাষাৰ বিলোপ হ'লে জাতিৰো বিলোপ ঘটে। বিশ্বৰ বুকুত ইয়াৰ বহু উদাহৰণ আছে বুলি কৈ বৰুৱাই কয় যে মুখ্যতঃ অভিধান আৰু ব্যাকৰণে এটা ভাষা জীয়াই ৰাখে। ১৮৩৬ চনত ব্ৰিটিছ চৰকাৰে অসমত বাংলা ভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ বিষয়ে উল্লেখ কৰি বৰুৱাই কয় যে সেই সময়ত বাঙালী বুদ্ধিজীৱীসকলে অসমীয়া ভাষাটো বাংলা ভাষাৰে এটা উপ-ভাষা বুলি ব্ৰিটিছসকলক পতিয়ন নিয়াইছিল। তেওঁলোকে বুজাই দিছিল যে অসমীয়া ভাষাৰ কোনো স্বকীয়তা নাই। কিন্তু ইয়াৰ পৰৱৰ্তী সময়ত আমাৰ পূৰ্বপুৰুষ গুণাভিৰাম বৰুৱা, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকনে অসমত এক বৌদ্ধিক আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছিল আৰু এই আন্দোলনৰ ফলতেই অসমত পুনৰ অসমীয়া ভাষা প্ৰতিষ্ঠা হৈছিল। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই অসমীয়া ব্যাকৰণ আৰু অভিধানেৰে অসমীয়া ভাষাটোক এটা নতুন জীৱন দান দি গ'ল বুলি উল্লেখ কৰি বৰুৱাই তেওঁৰ ভাষণত লগতে কয় যে হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ চাৰি বছৰ পিচত অৰ্থাৎ ১৯০০ চনত হেমকোষ ছপা আকাৰত প্ৰকাশ পাইছিল। হেমকোষৰ ইয়াৰ পিচৰ দুটা সংস্কৰণ সম্পাদনা কৰিছিল আনন্দৰাম বৰুৱাই। হেমকোষৰ চতুৰ্থ সংস্কৰণৰ পৰা চতুৰ্দশ সংস্কৰণলৈ সম্পাদনা কৰিছিল দেৱানন্দ বৰুৱাই। হেমচন্দ্ৰ বৰুৱাৰ চতুৰ্থ প্ৰজন্ম হিচাপে হেমকোষৰ পঞ্চদশ সংস্কৰণৰ কাম হাতত লোৱা বুলি উল্লেখ কৰি জয়ন্ত বৰুৱাই ইয়াৰ বাবে ভাষাবিদ ড° বসন্ত গোস্বামী, ড° মালিনী গোস্বামী আৰু ড° উপেন ৰাভা হাকাচামৰ নেতৃত্বত এখন সমিতি গঠন কৰা বুলিও কয়। এই সমিতিখনৰ নেতৃত্বতে অতি সোনকালে নতুন শব্দ সংযোজনেৰে হেমকোষৰ পঞ্চদশ সংস্কৰণ ৰাইজৰ হাতত তুলি দিয়া হ'ব বুলিও বৰুৱাই ভাষণত উল্লেখ কৰে। বিভিন্ন প্ৰত্যাহ্বান নেওচি হেমকোষৰ ব্ৰেইল সংস্কৰণৰ কাম সম্পূৰ্ণ কৰাৰ কথা উল্লেখ কৰি বৰুৱাই লগতে কয় যে ব্ৰেইল হেমকোষে দৃষ্টিহীন লোকসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলকো উপকৃত কৰিব। সমাজৰ দৃষ্টিহীন লোকসকলক অসমীয়া ভাষাটো শুদ্ধভাৱে শিকাই আগবঢ়াই নিয়াটো আমাৰ ডাঙৰ কৰ্তব্য বুলি উল্লেখ কৰি বৰুৱাই কয় যে এজন ব্যক্তি বা এটা অনুষ্ঠানে যেতিয়া কোনো এটা কাম কৰি সফলতা অৰ্জন কৰে, তেতিয়া তেওঁ তৃপ্তি লাভ কৰে। হেমকোষৰ ব্ৰেইল সংস্কৰণৰ কাম কৰি যিমান তৃপ্তি লাভ কৰিছো, সেয়া মোৰ জীৱনৰ আটাইতকৈ ওপৰত বুলিও বৰুৱাই ভাষণত উল্লেখ কৰে। সাহিত্য আৰু ভাষা চহকী হ'লেহে জাতিয়ে মূৰ দাঙি থাকিব বুলি উল্লেখ কৰি বৰুৱাই লগতে নিজৰ ভাষাটোক জীয়াই ৰখাটো প্ৰতিজন অসমীয়াৰে দায়িত্ব আৰু এই কাম নিজৰ ঘৰৰ পৰাই আৰম্ভ কৰা উচিত বুলিও মন্তব্য কৰে। নিজৰ ভাষণৰ মাজতে বৰুৱাই অসমীয়া প্ৰতিদিনৰ প্ৰতিষ্ঠাপক মুখ্য উপ-সম্পাদক মনজিৎ মহন্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মহন্তৰ বিদেহ আত্মাৰ সদ্গতিৰ বাবেও ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সভাখনত ভাষণ দি পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই অসমীয়া জাতি, ভাষাৰ বাবে জয়ন্ত বৰুৱাই কৰি অহা কাম-কাজৰ শলাগ লয়। ভৱিষ্যতে বৰুৱাই অধিক দক্ষতাৰে জাতিৰ স্বাৰ্থত কাম কৰি যাব বুলিও বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে। কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰাণজিৎ দাসেও সভাখনত ভাষণ দি সাদিন-প্ৰতিদিন গোষ্ঠীৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাৰ শলাগ লয়। একেদৰে সভাখনত ভাষণ দি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবকান্ত অধিকাৰীয়ে হেমকোষৰ ব্ৰেইল সংস্কৰণক এক অমূল্য সম্পদ বুলি অভিহিত কৰে। সভাখনত পলাশবাৰী থানাৰ নাগৰিক সমিতিৰ উপদেষ্টা নাৰায়ণ চৌধুৰী, সমাজকৰ্মী হিমাংশু শেখৰ বৈশ্য, সমিতিৰ বিষয়ববীয়া ৰাজেন্দ্ৰ কুমাৰ নাথ, পলাশবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ কুমাৰ নাথকে ধৰি অঞ্চলটোৰ ভালেসংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ সম্পাদক কন্দৰ্প কুমাৰ দাসে। উল্লেখ্য যে আজিৰ সভাত ক্ৰমে পলাশবাৰী আৰক্ষী থানাৰ নাগৰিক সমিতি, মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, পলাশবাৰী সংস্কৃতি বিকাশ ভৱন, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, দক্ষিণ কামৰূপ ক্ৰীড়া সন্থা, ভাৰতীয় জনতা যুৱ মৰ্চাৰ দক্ষিণ কামৰূপ সমিতি, দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সংস্থা, দহালি দখলা আঞ্চলিক নাগৰিক সমিতি, আমৰাংগা বড়িহাট আঞ্চলিক নাগৰিক সমিতি, মালিয়াটা, হাতোপাৰা, বঙৰা, সাতপখলী, বাঢ়ন্তি মনিয়েৰী বৰুমাটি আঞ্চলিক নাগৰিক সমিতি, পলাশবাৰী শতদল সাহিত্য সভা, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়, বৃহত্তৰ বিজয়নগৰ ব্যৱসায়ী সন্থা, বৰুমাটি ৰাইজ গয়বহ, দক্ষিণ কামৰূপ অগ্ৰণী মহিলা মঞ্চ, দক্ষিণ কামৰূপ কবি সমাজ, মিৰ্জা সুৱেৰী উৎসৱ সমিতি, নহিৰা নাগৰিক সমিতি, নৱাংকুৰ সাহিত্য সভা, মিৰ্জা স্ৰোতস্বিনী মহিলা সংঘ, বিজয়নগৰ দখলা মুগা এৰী শিল্প কেন্দ্ৰ, মিৰ্জা বঙালী বিহু সন্মিলনকে ধৰি বিভিন্ন অনুষ্ঠান, ব্যক্তিবিশেষে জয়ন্ত বৰুৱাক সম্বৰ্ধনা জনায়।

ASOMIYA PRATIDIN
11 Th July, 2023. P.-1
অসমীয়া প্ৰতিদিন, ১১ জুলাই-২০২৩
পৃ:-১

Acc.No: 3 88

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

## গ্ৰন্থ অধ্যয়নেহে জাতিক মহীয়ান কৰে, বিদ্যা বিলোৱা মানে অমৃত বিলোৱা ঃ ৰিণিকি ভূঞা শৰ্মা

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি

প্ৰতিদিন সেৱা, মিৰ্জা, ৩ আগষ্ট ঃ মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ তিনি মহলীয়া আধুনিক প্ৰযুক্তি কৌশলযুক্ত কেন্দ্ৰীয় গ্ৰন্থাগাৰটি সমাজসেৱক অনিল দাসে নিজা দানেৰে সম্পূৰ্ণ নতুনকৈ নিৰ্মাণ কৰি দিয়ে। উক্ত নৱনিৰ্মিত গ্ৰন্থাগাৰটি আজি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেড, গুৱাহাটীৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই উদ্বোধন কৰে। এই উপলক্ষে আজি দুপৰীয়া পৃথকে দুটি চন্দন গছৰ পুলি ৰোপণ কৰে ৰিণিকি ভূঞা শৰ্মা আৰু অনিল দাসে। অগৰুৰ পুলি ৰোপণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই। এই উপলক্ষে বিয়লি মহাবিদ্যালয়খনৰ অধ্যাপক জগন্নাথ বৰ্মনে পতাকা উত্তোলন কৰে। ...অঁতি ধৰা আৰু অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ দিয়ে অধ্যক্ষ নৰকান্ত অধিকাৰীয়ে। পিচত এই মুকলি সভাত পৃথকে ৰিণিকি ভূঞা শৰ্মা, অনিল দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিৎ ভট্টাচাৰ্য, ড° ৰমেশ চন্দ্ৰ কলিতাক মহাবিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জনায়। মুকলি সভাত ভাষণ দি ৰিণিকি ভূঞা শৰ্মাই কয়— 'গ্ৰন্থ অধ্যয়নেহে এটি জাতিক মহীয়ান কৰে। বিদ্যা বিলোৱা মানে অমৃত বিলোৱাৰ সমান। জ্ঞান বিদ্যাহে মানুহৰ লগত থাকে।' দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এনে এটি গ্ৰন্থাগাৰ গঢ়ি তোলাৰ বাবে বিশিষ্ট ব্যৱসায়ী অনিল দাসে গ্ৰহণ কৰা উদ্যোগৰ প্ৰশংসা কৰে ৰিণিকি ভূঞা শৰ্মাই। লগতে আজিৰ দিনত বহুল হাৰত ম'বাইল ফোন ব্যৱহাৰ হ'লেও গ্ৰন্থৰ চাহিদাক কোনো ক্ষেত্ৰতে তলত থ'ব নোৱাৰে বুলি ৰিণিকি ভূঞা শৰ্মাই কয়। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে আগত সময়ত সহায়-সহযোগ কৰি যাব বুলি উল্লেখ কৰে। সভাত বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিৎ ভট্টাচাৰ্যই ছাত্ৰীসকলক কিতাপ পঢ়িবলৈ উপদেশ যোগায়। শিক্ষাৰ প্ৰতি গুৰুত্ব দিলে, মনত সংকল্প গ্ৰহণ কৰিলে কোনোদিন বিফলতা নাহে বুলি তেওঁ ভাষণত উল্লেখ কৰে। আনহাতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা সংঘমিত্ৰা সিনহাৰ কালি আকস্মিক বিয়োগ ঘটাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সভাৰ আৰম্ভণিতে এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। এই সভাতে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপাত্ৰ সুদক্ষিণা উন্মোচন কৰে ৰিণিকি ভূঞা শৰ্মাই।




ASOMIYA PRATIDIN- August, 4 - 2023. P-11

অসমীয়া প্ৰতিদিন - ৪ আগষ্ট - ২০২৩. পৃঃ-১১

Acc.No: ১৪৪

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

## গ্ৰন্থ অধ্যয়নেহে জাতিক মহীয়ান কৰে, বিদ্যা বিলোৱা মানে অমৃত বিলোৱা ঃ ৰিণিকি ভূঞা শৰ্মা

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি

**প্ৰতিদিন সেৱা, মির্জা, ৩ আগষ্ট ঃ** মির্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ তিনি মহলীয়া আধুনিক প্ৰযুক্তি কৌশলযুক্ত কেন্দ্ৰীয় গ্ৰন্থাগাৰটি সমাজসেৱক অনিল দাসে নিজা দানেৰে সম্পূৰ্ণ নতুনকৈ নিৰ্মাণ কৰি দিয়ে। উক্ত নৱনিৰ্মিত গ্ৰন্থাগাৰটি আজি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেড, গুৱাহাটীৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই উদ্বোধন কৰে। এই উপলক্ষে আজি দুপৰীয়া পৃথকে দুটি চন্দন গছৰ পুলি ৰোপণ কৰে ৰিণিকি ভূঞা শৰ্মা আৰু অনিল দাসে। অগৰু পুলি ৰোপণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই। এই উপলক্ষে বিয়লি মহাবিদ্যালয়খনৰ অধ্যাপক জগন্নাথ বৰ্মনে পতাকা উত্তোলন কৰে আৰু অধ্যক্ষ ড° নৱকান্ত অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ দিয়ে অধ্যক্ষ নৱকান্ত অধিকাৰীয়ে। পিচত এই মুকলি সভাত পৃথকে ৰিণিকি ভূঞা শৰ্মা, অনিল দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ বাজিলা কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিৎ ভট্টাচাৰ্য, ড° ৰমেশ চন্দ্ৰ কলিতাক মহাবিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জনায়। মুকলি সভাত ভাষণ দি ৰিণিকি ভূঞা শৰ্মাই কয়— 'গ্ৰন্থ অধ্যয়নেহে এটি জাতিক মহীয়ান কৰে। বিদ্যা বিলোৱা মানে অমৃত বিলোৱাৰ সমান। জ্ঞান বিদ্যাহে মানুহৰ লগত থাকে।' দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এনে এটি গ্ৰন্থাগাৰ গঢ়ি তোলাৰ বাবে বিশিষ্ট ব্যৱসায়ী অনিল দাসে গ্ৰহণ কৰা উদ্যোগৰ প্ৰশংসা কৰে ৰিণিকি ভূঞা শৰ্মাই। লগতে আজিৰ দিনত বহুল হাৰত ম'বাইল ফোন ব্যৱহাৰ হ'লেও গ্ৰন্থৰ চাহিদাক কোনো ক্ষেত্ৰতে তলত থ'ব নোৱাৰে বুলি ৰিণিকি ভূঞা শৰ্মাই কয়। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে আগত সময়ত সহায়-সহযোগ কৰি যাব বুলি উল্লেখ কৰে। সভাত বিজেপিৰ বাজিলা কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিৎ ভট্টাচাৰ্যই ছাত্ৰীসকলক কিতাপ পঢ়িবলৈ উপদেশ যোগায়। শিক্ষাৰ প্ৰতি গুৰুত্ব দিলে, মনত সংকল্প গ্ৰহণ কৰিলে কোনোদিন বিফলতা নাহে বুলি তেওঁ ভাষণত উল্লেখ কৰে। আনহাতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা সংঘমিত্ৰা সিনহাৰ কলি আকস্মিক বিয়োগ ঘটাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সভাৰ আৰম্ভণিতে এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। এই সভাতে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপাত্ৰ সুদক্ষিণা উন্মোচন কৰে ৰিণিকি ভূঞা শৰ্মাই।




ASOMIYA PRATIDIN - August, 4 - 2023. P-11

অসমীয়া প্ৰতিদিন - ৪ আগষ্ট - ২০২৩. পৃঃ - ১১

Acc.No 89

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

## দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি




# গ্ৰন্থ অধ্যয়নেহে জাতিক মহীয়ান কৰে ৰিণিকি ভূঞা শৰ্মা



নিয়মীয়া বাৰ্তা, মিৰ্জা, ৩ আগষ্ট : মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ তিনিমহলীয়া আধুনিক প্ৰযুক্তি কৌশলযুক্ত কেন্দ্ৰীয় গ্ৰন্থাগাৰটো বিশিষ্ট সমাজসেৱক অনিল দাসে নিজা দানেৰে সম্পূৰ্ণভাৱে নতুনকৈ নিৰ্মাণ ১০ পৃষ্ঠাত

তৃতীয় পৃষ্ঠাৰ পৰা

## গ্ৰন্থ অধ্যয়নেহে জাতিক মহীয়ান কৰে : ৰিণিকি ভূঞা শৰ্মা

কৰি দিয়ে। উক্ত নৱনিৰ্মিত গ্ৰন্থাগাৰটো আজি বিশিষ্ট উদ্যমী মহিলা, প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই উদ্বোধন কৰে। এই উপলক্ষে আজি দুপৰীয়া পৃথকে দুটি চন্দনৰ পুলি ৰোপণ কৰে ৰিণিকি ভূঞা শৰ্মা আৰু অনিল দাসে, অগৰুৰ পুলি ৰোপণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই। এই উপলক্ষে বিয়লি মহাবিদ্যালয়খনৰ অধ্যাপক জগন্নাথ বৰ্মনে আঁত ধৰা আৰু অধ্যক্ষ ড° নৱকান্ত অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। পাছত এই মুকলি সভাত পৃথকে ৰিণিকি ভূঞা শৰ্মা, অনিল দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিত ভট্টাচাৰ্য, ড° ৰমেশ চন্দ্ৰ কলিতাক সম্বৰ্ধনা জনায় মহাবিদ্যালয় কৰ্তৃপক্ষই। এই মুকলি সভাত ভাষণ প্ৰদান কৰি ৰিণিকি ভূঞা শৰ্মাই কয়— গ্ৰন্থ অধ্যয়নেহে এটি জাতিক মহীয়ান কৰে। বিদ্যা বিলোৱা মানে অমৃত বিলোৱাৰ সমান। জ্ঞান আৰু বিদ্যাহে মানুহৰ লগত থাকে। সেয়ে এই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এনে এটা গ্ৰন্থাগাৰ গঢ়ি তোলাৰ বাবে বিশিষ্ট ব্যৱসায়ী অনিল দাসে গ্ৰহণ কৰা উদ্যোগৰ প্ৰশংসা কৰে ৰিণিকি ভূঞা শৰ্মাই। আমাৰ জীৱন যি হিচাপে আগবঢ়াই নিব লাগিব তাৰ বাবে গ্ৰন্থ অধ্যয়ন লাগিব। পুথিভঁৰালৰ পৰা জ্ঞান পাব পাৰি। সেই জ্ঞানেহে সদায় মানুহক মানুহ কৰে। আজিৰ দিনত বহুল হাৰত ম'বাইল ফোন ব্যৱহাৰ হ'লেও গ্ৰন্থৰ চাহিদাক কোনো ক্ষেত্ৰতে তলত থ'ব নোৱাৰে বুলি ৰিণিকি ভূঞাই কয়। তেওঁ কয়— আমি অধ্যয়ন আৰু গৱেষণা অবিহনে সময়ৰ গতিত খোজ মিলোৱাটো অসম্ভৱ। শেষত তেওঁ সাম্প্ৰতিক সময়ৰ লক্ষ্য আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ভাষণ প্ৰদান কৰি ছাত্ৰীসকলক উৎসাহ দিয়ে। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ উন্নতি সাধনৰ বাবে আগত সময়ত সহায়-সহযোগ কৰি যাব বুলি উল্লেখ কৰে। আজিৰ এই গ্ৰন্থাগাৰ মুকলিয়ে মহাবিদ্যালয়খনৰ এক ইতিহাস ৰচা বুলি বিধায়ক হেমাংগ ঠাকুৰীয়াই ভাষণত কয়। সভাত বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিত ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি ছাত্ৰীসকলক কিতাপ পঢ়িবলৈ উদগনি যোগায়। শিক্ষাৰ প্ৰতি গুৰুত্ব দিলে, মনত সংকল্প গ্ৰহণ কৰিলে কোনোদিন বিফলতা নাহে বুলি তেওঁ ভাষণত উল্লেখ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা সংঘমিত্ৰা সিন্‌হাৰ কালি আকস্মিক বিয়োগ ঘটাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সভাৰ আৰম্ভণিতে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। এই সভাতে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ সুদক্ষিণা উন্মোচন কৰে ৰিণিকি ভূঞা শৰ্মাই।

NIYOMIYA BARTA
4, August-2023 P.-3
নিয়মীয়া বাৰ্তা - ৪ আগষ্ট - ২০২৩
পৃ:-৩

Acc.No 89

Dakshin Kamrup Girls' College Library
Estd. 1986
Mirza

## দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি




# গ্ৰন্থ অধ্যয়নেহে জাতিক মহীয়ান কৰে ৰিণিকি ভূঞা শৰ্মা



নিয়মীয়া বাৰ্তা, মিৰ্জা, ৩ আগষ্ট ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ তিনিমহলীয়া আধুনিক প্ৰযুক্তি কৌশলযুক্ত কেন্দ্ৰীয় গ্ৰন্থাগাৰটো বিশিষ্ট সমাজসেৱক অনিল দাসে নিজা দানেৰে সম্পূৰ্ণভাৱে নতুনকৈ নিৰ্মাণ ১০ পৃষ্ঠাত

তৃতীয় পৃষ্ঠাৰ পৰা

## গ্ৰন্থ অধ্যয়নেহে জাতিক মহীয়ান কৰে ঃ ৰিণিকি ভূঞা শৰ্মা

কৰি দিয়ে। উক্ত নৱনিৰ্মিত গ্ৰন্থাগাৰটো আজি বিশিষ্ট উদ্যমী মহিলা, প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই উদ্বোধন কৰে। এই উপলক্ষে আজি দুপৰীয়া পৃথকে দুটি চন্দনৰ পুলি ৰোপণ কৰে ৰিণিকি ভূঞা শৰ্মা আৰু অনিল দাসে, অগৰুৰ পুলি ৰোপণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই। এই উপলক্ষে বিয়লি মহাবিদ্যালয়খনৰ অধ্যাপক জগন্নাথ বৰ্মনে আঁত ধৰা আৰু অধ্যক্ষ ড° নৱকান্ত অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। পাছত এই মুকলি সভাত পৃথকে ৰিণিকি ভূঞা শৰ্মা, অনিল দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিত ভট্টাচাৰ্য, ড° ৰমেশ চন্দ্ৰ কলিতাক সম্বৰ্ধনা জনায় মহাবিদ্যালয় কৰ্তৃপক্ষই। এই মুকলি সভাত ভাষণ প্ৰদান কৰি ৰিণিকি ভূঞা শৰ্মাই কয়— গ্ৰন্থ অধ্যয়নেহে এটি জাতিক মহীয়ান কৰে। বিদ্যা বিলোৱা মানে অমৃত বিলোৱাৰ সমান। জ্ঞান আৰু বিদ্যাহে মানুহৰ লগত থাকে। সেয়ে এই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এনে এটা গ্ৰন্থাগাৰ গঢ়ি তোলাৰ বাবে বিশিষ্ট ব্যৱসায়ী অনিল দাসে গ্ৰহণ কৰা উদ্যোগৰ প্ৰশংসা কৰে ৰিণিকি ভূঞা শৰ্মাই। আমাৰ জীৱন যি হিচাপে আগবঢ়াই নিব লাগিব তাৰ বাবে গ্ৰন্থ অধ্যয়ন লাগিব। পুথিভঁৰালৰ পৰা জ্ঞান পাব পাৰি। সেই জ্ঞানেহে সদায় মানুহক মানুহ কৰে। আজিৰ দিনত বহুল হাৰত ম'বাইল ফোন ব্যৱহাৰ হ'লেও গ্ৰন্থৰ চাহিদাক কোনো ক্ষেত্ৰতে তলত থ'ব নোৱাৰে বুলি ৰিণিকি ভূঞাই কয়। তেওঁ কয়— আমি অধ্যয়ন আৰু গৱেষণা অবিহনে সময়ৰ গতিত খোজ মিলোৱাটো অসম্ভৱ। শেষত তেওঁ সাম্প্ৰতিক সময়ৰ লক্ষ্য আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ভাষণ প্ৰদান কৰি ছাত্ৰীসকলক উৎসাহ দিয়ে। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ উন্নতি সাধনৰ বাবে আগত সময়ত সহায়-সহযোগ কৰি যাব বুলি উল্লেখ কৰে। আজিৰ এই গ্ৰন্থাগাৰ মুকলিয়ে মহাবিদ্যালয়খনৰ এক ইতিহাস ৰচা বুলি বিধায়ক হেমাংগ ঠাকুৰীয়াই ভাষণত কয়। সভাত বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিত ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি ছাত্ৰীসকলক কিতাপ পঢ়িবলৈ উদগনি যোগায়। শিক্ষাৰ প্ৰতি গুৰুত্ব দিলে, মনত সংকল্প গ্ৰহণ কৰিলে কোনোদিন বিফলতা নাহে বুলি তেওঁ ভাষণত উল্লেখ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা সংঘমিত্ৰা সিন্‌হাৰ কালি আকস্মিক বিয়োগ ঘটাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সভাৰ আৰম্ভণিতে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। এই সভাতে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ সুদক্ষিণা উন্মোচন কৰে ৰিণিকি ভূঞা শৰ্মাই।

NIYOMIYA BARTA

4, August-2023 P.-3

নিয়মীয়া বাৰ্তা - ৪ আগষ্ট - ২০২৩

পৃঃ-৩

Acc.No: ; 70

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি

নিজা বাতৰি দিওঁতা

বৰিহাট, ৩ আগষ্ট ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ তিনিমহলীয়া আধুনিক প্ৰযুক্তি কৌশলযুক্ত কেন্দ্ৰীয় গ্ৰন্থাগাৰটি বিশিষ্ট সমাজসেৱক অনিল দাসে নিজা দানেৰে সম্পূৰ্ণভাৱে নতুনকৈ নিৰ্মাণ কৰি দিছে। উক্ত নৱনিৰ্মিত গ্ৰন্থাগাৰটি আজি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই উদ্বোধন কৰে। এই উপলক্ষে আজি দুপৰীয়া পৃথকে দুটি চন্দনৰ গছপুলি ৰোপণ কৰে ৰিণিকি ভূঞা শৰ্মা আৰু অনিল দাসে, অগৰুৰ পুলি ৰোপণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ ৰমেশ চন্দ্ৰ কলিতাই। এই উপলক্ষে বিয়লি মহাবিদ্যালয়খনৰ অধ্যাপক জগন্নাথ বৰ্মনে আঁত ধৰা আৰু অধ্যক্ষ ডঃ নৱকান্ত অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত আদৰণী ভাষণ দিয়ে অধ্যক্ষ ডঃ নৱকান্ত অধিকাৰীয়ে। মুকলি সভাত ৰিণিকি ভূঞা শৰ্মা, অনিল দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিত ভট্টাচাৰ্য, ডঃ ৰমেশ চন্দ্ৰ কলিতাক সম্বৰ্দ্ধনা জনায় মহাবিদ্যালয় কৰ্তৃপক্ষই। মুকলি সভাত ভাষণ দি ৰিণিকি ভূঞা শৰ্মাই কয়, গ্ৰন্থ অধ্যয়নেহে এটি জাতিক মহীয়ান কৰে। বিদ্যা বিলোৱা মানে অমৃত বিলোৱাৰ সমান। এনে এটি গ্ৰন্থাগাৰ গঢ়ি তোলাৰ বাবে বিশিষ্ট ব্যৱসায়ী অনিল দাসে গ্ৰহণ কৰা উদ্যোগৰ প্ৰশংসা কৰে তেওঁ। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ উন্নতি সাধনৰ বাবে




আগত সময়ত সহায়-সহযোগ কৰি যাব বুলি উল্লেখ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা সংঘমিত্ৰা সিনহাৰ কালি আকস্মিক বিয়োগ ঘটাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সভাৰ আৰম্ভণিতে এক মিনিট সময় মৌন-প্ৰাৰ্থনা জনোৱা হয়। এই সভাতে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণ' উন্মোচন কৰে ৰিণিকি ভূঞা শৰ্মাই। উল্লেখ্য যে এই গ্ৰন্থাগাৰৰ দাতা অনিল দাসৰ বিষয়ে আজিৰ সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই কোনো এটি প্ৰসংগ উত্থাপন নকৰাত অনিল দাসে বিধায়ক হেমাংগ ঠাকুৰীয়াক সভাৰ শেষত একপ্ৰকাৰ উভতি ধৰে।

DAINIK ASAM - August, 4 - 2023 P. 7

দৈনিক অসম - ৪ আগষ্ট - ২০২৩ পৃঃ - ৭

Acc.No: ; ৭০

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ মুকলি

নিজা বাতৰি দিওঁতা

ৰঙিয়া, ৩ আগষ্ট ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ তিনিমহলীয়া আধুনিক প্ৰযুক্তি কৌশলযুক্ত কেন্দ্ৰীয় গ্ৰন্থাগাৰটি বিশিষ্ট সমাজসেৱক অনিল দাসে নিজা দানেৰে সম্পূৰ্ণভাৱে নতুনকৈ নিৰ্মাণ কৰি দিছে। উক্ত নৱনিৰ্মিত গ্ৰন্থাগাৰটি আজি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালিকা ৰিনিকি ভূএগ শৰ্মাই উদ্বোধন কৰে। এই উপলক্ষে আজি দুপৰীয়া পৃথকে দুটি চন্দনৰ গছপুলি ৰোপণ কৰে ৰিনিকি ভূএগ শৰ্মা আৰু অনিল দাসে, অগৰুৰ পুলি ৰোপণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ ৰমেশ চন্দ্ৰ কলিতাই। এই উপলক্ষে বিয়লি মহাবিদ্যালয়খনৰ অধ্যাপক জগন্নাথ বৰ্মনে আঁত ধৰা আৰু অধ্যক্ষ ডঃ নৱকান্ত অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ দিয়ে অধ্যক্ষ ডঃ নৱকান্ত অধিকাৰীয়ে। মুকলি সভাত ৰিনিকি ভূএগ শৰ্মা, অনিল দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰণজিত ভট্টাচাৰ্য, ডঃ ৰমেশ চন্দ্ৰ কলিতাক সম্বৰ্ধনা জনায় মহাবিদ্যালয় কৰ্তৃপক্ষই। মুকলি সভাত ভাষণ দি ৰিনিকি ভূএগ শৰ্মাই কয়, গ্ৰন্থ অধ্যয়নেহে এটি জাতিক মহীয়ান কৰে। বিদ্যা বিলোৱা মানে অমৃত বিলোৱাৰ সমান। এনে এটি গ্ৰন্থাগাৰ গঢ়ি তোলাৰ বাবে বিশিষ্ট ব্যৱসায়ী অনিল দাসে গ্ৰহণ কৰা উদ্যোগৰ প্ৰশংসা কৰে তেওঁ। সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ উন্নতি সাধনৰ বাবে




আগত সময়ত সহায়-সহযোগ কৰি যাব বুলি উল্লেখ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা সংঘমিত্ৰা সিংহৰ কালি আকস্মিক বিয়োগ ঘটাত তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সভাৰ আৰম্ভণিতে এক মিনিট সময় মৌন-প্ৰাৰ্থনা জনোৱা হয়। এই সভাতে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণ' উন্মোচন কৰে ৰিনিকি ভূএগ শৰ্মাই। উল্লেখ্য যে এই গ্ৰন্থাগাৰৰ দাতা অনিল দাসৰ বিষয়ে আজিৰ সভাত বিধায়ক হেমাংগ ঠাকুৰীয়াই কোনো এটি প্ৰসংগ উত্থাপন নকৰাত অনিল দাসে বিধায়ক হেমাংগ ঠাকুৰীয়াক সভাৰ শেষত একপ্ৰকাৰ উভতি ধৰে।

DAINIK ASAM - August, 4 - 2023 P. 9

দৈনিক অসম - ৪ আগষ্ট - ২০২৩ পৃ: - ৯